**Publication : Dainik Janmabhumi** **Date : Monday, 21st Jan, 2013**
**Edition : Guwahati**

# ইণ্ডিয়া ফাৰ্ষ্ট লাইফ ইঞ্চুৰেন্সৰ অট'লাইফ মুকলি

গুৱাহাটী, ২০ জানুৱাৰী ঃ ৰাজহুৱা খণ্ডৰ দুটা অগ্ৰণী বেংক সেৱা প্ৰতিষ্ঠান বেংক অব্ বৰোদা আৰু অন্ধ্ৰ বেংকে ৰিস্ক, ৱেলথ, সাধাৰণ আৰু আইনী বিনিয়োগ কোম্পানীৰ যৌথ উদ্যোগত ইণ্ডিয়া ফাৰ্ষ্ট লাইফ ইঞ্চুৰেন্সে ইয়াৰ দ্বিতীয় পৰ্যায়ৰ সামাজিক দায়বদ্ধতা আঁচনি অট'লাইফ মুকলি কৰাৰ কথা ঘোষণা কৰে। অন্ধ্ৰ প্ৰদেশৰ যুটীয়া পৰিবহণ (এনফ'ৰ্চমেণ্ট আৰু পথ নিৰাপত্তা) আয়ুক্ত বি ভেংকট শ্বৰলুৰ উপস্থিতিত এই কথা ঘোষণা কৰে ইণ্ডিয়া ফাৰ্ষ্ট লাইফ ইঞ্চুৰেন্সৰ পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া ড° পি নন্দগোপালে। উক্ত অনুষ্ঠানত ফেডাৰেশ্যন অফ অট'মোবাইল ডিলাৰ্ছ এছ'চিয়েশ্যন চমুকৈ এফ এ ডি এৰ সভাপতি মোহন হিমৎসিঙকা আৰু উপ-সভাপতি কে ভি এছ প্ৰকাশ ৰাও উপস্থিত আছিল। 'লাইফৰ ব্যৱসায়ৰ পৰা আমি গম পাওঁ যে আমাৰ জীৱনৰ মূল্য কিমান। দিনক দিনে মানসিক চাপ বৃদ্ধি পাই অহাৰ লগতে চালকসকলৰ মাজৰ পৰা ধৈৰ্য ধাৰণৰ ক্ষমতা দিনক দিনে হ্ৰাস পাই আহিছে'— এইদৰে কয় ড° নন্দগোপালে।